**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 31-07-**2025 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

**----------------------------**

০০০০০০

অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত বন বিভাগ আৰু প্ৰশাসনে আজি তৃতীয় দিনাও উচ্ছেদ অভিযান চলি আছে। প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰা মতে আজি অঞ্চলটোৰ ২ নম্বৰ দয়ালপুৰ, ৩ নম্বৰ দয়ালপুৰ, ৩ নম্বৰ দলনিপথাৰ, খেৰবাৰী আৰু আনন্দপুৰ গাঁৱত উচ্ছেদ চলোৱা হৈছে। কালি ১ আৰু ২ নম্বৰ পিঠাঘাটৰ ২০০ টা বাসগৃহ উচ্ছেদ কৰা হয়। ৰাজ্যৰ প্ৰধান মুখ্য বন সংৰক্ষক এম কে যাদৱৰ নেতৃত্বত সম্পন্ন হোৱা এই অভিযানত জিলা আয়ুক্ত, গোলাঘাটৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। কেইবাটাও পৰ্যায়ত চলিবলগীয়া এই অভিযানত দুহেজাৰ ৬০০ৰো অধিক পৰিয়ালক উচ্ছেদ কৰাৰ লগতে প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ লক্ষ্য লোৱা হৈছে।

ইপিনে, গুৱাহাটী উচ্চ ন্যায়ালয়ে উৰিয়ামঘাটত উচ্চেদিত অঞ্চলৰ ৭৩টা পৰিয়াললৈ সকাহ দি সংশ্লিষ্ট অঞ্চলত ৭ আগষ্ট পৰ্যন্ত উচ্ছেদ অভিযান নচলাবলৈ নিৰ্দেশ দিছে। এই অভিযান সন্দৰ্ভত ৭৫ জন লোকে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি আদালতে এই নিৰ্দেশ প্ৰদান কৰে। ন্যায়ালয়ে লগতে বিষয়টো সন্দৰ্ভত ৰাজ্য চৰকাৰৰ পৰা মতামত বিচাৰে।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে অসমৰ লগতে অৰুণাচল প্ৰদেশ, নাগালেণ্ড আৰু মিজোৰামৰ আন্তঃৰাজ্যিক সীমান্ত অঞ্চলৰ বনাঞ্চল অবৈধ দখলমুক্ত কৰিবলৈ নিৰ্দেশ দিছে। এই সন্দৰ্ভত ৰাজ্যকেইখনত এখন উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰিবলৈও ন্যায়ালয়ে নিৰ্দেশ দিয়ে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু অৰুণ দেৱ চৌধুৰীৰ খণ্ড বিচাৰপীঠে বনাঞ্চলত চলি থকা অবৈধ দখল ৰোধ সন্দৰ্ভত দাখিল হোৱা এখন জনস্বাৰ্থ জড়িত আবেদনৰ শুনানি গ্ৰহণ কৰি এই নিৰ্দেশ দিয়ে। বিচাৰপীঠখনে বনাঞ্চলসমূহ দখলমুক্ত কৰাৰ বাবে বিস্তৃত পৰিকল্পনা যুগুত কৰিবলৈ প্ৰতিখন ৰাজ্যৰ মুখ্য সচিব আৰু বন বিভাগৰ মুৰব্বীসকলক নিৰ্দেশ দিয়াৰ লগতে এই সন্দৰ্ভত উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত কৰাৰো পৰামৰ্শ দিয়ে। এই শুনানিৰ সময়ত ৰাজ্য চৰকাৰৰ মহাধিবক্তাই বনভূমি দখলমুক্ত কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে প্ৰকাশ কৰে। চাৰিওখন ৰাজ্যই এই সন্দৰ্ভত উচ্চস্তৰীয় কমিটী গঠন কৰিবলৈও সন্মতি প্ৰকাশ কৰিছে। আদালতে অসম, অৰুণাচল আৰু মেঘালয় চৰকাৰে সীমাবিবাদ নিষ্পত্তিৰ বাবে গ্ৰহণ কৰা প্ৰচেষ্টাৰ শলাগ লৈ এই বিবাদ নিষ্পত্তিৰ সৈতে বনাঞ্চল দখলৰ বিষয়টো একাকাৰ নকৰিবলৈও পৰামৰ্শ দিয়ে। বিষয়টো সন্দৰ্ভত অহা ৪ নৱেম্বৰত পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰা হৈছে।

০০০০০০০০০

আজি বিশ্ব বন সংৰক্ষক দিৱস। বন আৰু বন্যপ্ৰাণীৰ সুৰক্ষাৰ বাবে আত্মনিয়োগ কৰা লোকসকলৰ লগতে বন সুৰক্ষাৰ কৰ্তব্যত নিহত লোকসকলক শ্ৰদ্ধা নিবেদন কৰাৰ অৰ্থে সমগ্ৰ বিশ্বতে আজিৰ দিনটোত বিশ্ব বন

সংৰক্ষক দিৱস পালন কৰি অহা হৈছে। বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙাতো আজি এই দিৱস পালন কৰা হৈছে। পাঁচগৰাকী যুৱ-বন সংৰক্ষকে উদ্যানখনৰ নেতৃত্ব দি ইয়াৰ সুৰক্ষাত আত্মনিয়োগ কৰি আহিছে। উদ্যানখনৰ অগৰাতলী, বোকাখাত, কহঁৰা, বাগৰি আৰু বুঢ়াপাহাৰ বনাঞ্চলৰ লগতে উত্তৰ পাৰৰ বনাঞ্চলতো বন সুৰক্ষাৰ বাবে বন সংৰক্ষক আৰু বনকৰ্মীসকলে দিনে-নিশাই কৰ্তব্য পালন কৰি আহিছে। আজি এই দিৱস উপলক্ষে ৰাষ্ট্ৰীয় উদ্যানখনৰ সুৰক্ষাৰ দায়িত্বত নিয়োজিত বিভাগীয় বন কৰ্মী, বন দুৰ্গা, বিশেষ গঁড় সুৰক্ষা বাহিনী আৰু বন সুৰক্ষা বাহিনীৰ জোৱানসকলক সম্বৰ্ধনা জনোৱা হ'ব।

০০০০০০০

জাতীয় সাংস্কৃতিক জীৱনৰ পুৰোধা নটসূৰ্য ফণী শৰ্মাৰ আজি স্মৃতি দিৱস। অসমীয়া চলচ্চিত্ৰৰ জন্মলগ্নৰে পৰা জড়িত ফণী শৰ্মাৰ  জীৱনজোৱা শিল্পকৰ্ম অসমীয়া জাতিৰ অমূল্য সম্পদ। চলচ্চিত্ৰ, নাট আৰু অভিনয় কলাৰ এগৰাকী দিক্‌দৰ্শী শিল্পীৰূপে তেওঁৰ অৱদান চিৰস্মৰণীয় হৈ থাকিব। কলা-সংস্কৃতিৰ এই বৰেণ্য ব্যক্তিগৰাকীয়ে জয়মতী, ইন্দ্ৰমালতী আৰু পিয়লি ফুকনৰ দৰে চলচ্চিত্ৰত অভিনয় কৰিছিল। নাট্যকলাৰ এই মহান সাধক নটসূৰ্য ফণীশৰ্মাক সোঁৱৰণ কৰি তেজপুৰৰ লগতে বিভিন্ন ঠাইত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০০

ডিব্ৰুগড় জিলা বৰপথাৰ কমাৰগাঁও দিব্যজ্যোতি সংঘৰ সৌজন্যত, সদৌ বৰপথাৰ ৰাইজৰ সহযোগত আৰু ক্ৰিয়েটিভ টেলছৰ উদ্যোগত আয়োজিত গ্ৰীষ্মকালীন অভিনয় কৰ্মশালাৰ কালি সামৰণি পৰে। কালি সামৰণি অনুষ্ঠানত কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলে অভিনয় কৰা নাটক প্ৰদৰ্শন কৰা হয়। এই অনুষ্ঠানতে প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ দিয়া হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ সহ-অধ্যাপক বেদান্ত বৰপাত্ৰ, ৰাহুল বৰুৱা, ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ ত্ৰিপুৰাৰ পৰিৱেশ্য কলা বিভাগৰ স্নাতকোত্তৰ ছাত্ৰী অনন্যা গগৈ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শুদ্ধ ছেত্ৰীয়ে শিক্ষাৰ্থীসকলক অভিনয়ৰ প্ৰশিক্ষণ প্ৰদান কৰে। কালিৰ এই সামৰণি অনুষ্ঠানত প্ৰশিক্ষকসকলকো সম্বৰ্ধনা জনোৱা হয়।

০০০০০০০

সাতখন ৰাজ্যৰ ডেৰ শতাধিক খেলুৱৈৰ অংশগ্ৰহণেৰে গুৱাহাটীত কালি ৪২ সংখ্যক ৰাষ্ট্ৰীয় পাঞ্জা প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰা হয়। সদৌ অসম পাঞ্জা সন্থাই মহানগৰীৰ ছাউথ পইণ্ট স্কুলৰ কৰ্তৃপক্ষৰ সহযোগত বিদ্যালয়খনৰ চৌহদত এই প্ৰতিযোগিতাৰ আয়োজন কৰিছে। অসম চৰকাৰৰ নৱ নিযুক্তি ক্ৰীড়া সঞ্চালক অংকুৰ ভঁৰালীয়ে কালি এই প্ৰতিযোগিতা উদ্বোধন কৰে। প্ৰতিযোগিতাত জুনিয়ৰ ল'ৰা-ছোৱালী, পুৰুষ-মহিলাৰ উপৰি মাষ্টাৰ্ছ আৰু বিশেষভাৱে সক্ষম শাখা অন্তৰ্ভুক্ত কৰা হৈছে। কেউটা শাখাতে চেম্পিয়ন অব্ চেম্পিয়ন খিতাপ প্ৰদান কৰা হ'ব।

০০০০০০০

**সমাপ্ত**